প্ৰান্তিক

চত্বাৰিংশ বছৰ, ঊনবিংশ সংখ্যা। ১—১৫ ছেপ্টেম্বৰ ২০২১ চন

# আমাৰ গৌৰৱ আমাৰ কলংক

অসমীয়া জাতিৰ ৰাজহাড় বুলি গণ্য কৰিব পৰা আহোম স্বৰ্গদেউসকলৰ ছশ বছৰীয়া শাসন কালত সোতৰবাৰকৈ মোগলৰ আক্ৰমণ ওফৰাই দিয়াৰ লগতে বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত অসমীয়াৰ স্বকীয় পৰিচয়ে গঢ় লৈছিল। এটা পৰাক্ৰমী, অথচ মাৰ্জিত সংস্কৃতিবান জাতিৰূপে সংস্থাপিত হোৱা জাতিটো কালৰ কুটিল গতিত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণত লেহুকা হৈ পৰিছিল। তেনে এটা সময়ৰে সুযোগতে ইতিমধ্যে ইংৰাজে ভাৰতবৰ্ষৰ বৃহৎ অঞ্চল দখল কৰাৰ লগতে অসমতো খোপনি ধৰিছিল আৰু পূৰ্বৰ আহোম ৰাজ্যৰ বাদেও বংগদেশৰ কিছু অঞ্চল আৰু কাষৰীয়া পাৰ্বত্য ৰাজ্যকেইখনকো অসমৰ সৈতে সাঙুৰি লৈছিল। ফলত এটা স্বকীয় পৰিচয়ৰ অসমীয়া জাতিটো কিছু ক্ষণৰ বাবে দিগভ্ৰান্ত হৈ পৰিছিল। সৌভাগ্যক্ৰমে ইংৰাজ বণিকসকলৰ আগমনৰ লগতে আমেৰিকান মিছনেৰিসকলো আহি নিজৰ ধৰ্ম প্ৰচাৰতকৈ অসমীয়াৰ সুপ্ত ভাষা-সংস্কৃতিৰ মহত্ত্ব আৱিষ্কাৰ কৰি তাৰ সুৰক্ষা আৰু বিকাশতহে মন দিলে। ‘অৰুনোদয়’ৰ দৰে এখন ছপা আলোচনী প্ৰকাশ কৰাৰ লগতে আধুনিক অসমীয়া ভাষাৰ বুনিয়াদ ৰচনা কৰিলে। তেওঁলোকে হেমচন্দ্ৰ বৰুৱাৰ দৰে জাতিপ্ৰেমীৰ বাবে গৌৰৱ উদ্ধাৰৰ বাবে পথ সুচল কৰি তুলিলে। পুনৰুত্থানৰ ধাৰাবাহিকতা অব্যাহত ৰাখি লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষাৰ ৰথখনৰ যাত্ৰা দ্ৰুততৰ কৰি তুলিলে। বেজবৰুৱাই গভীৰ আৰু বহলভিত্তিক অন্বেষণেৰে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অসমীয়া ভাষা, কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ বৰপেৰাৰ সাঁচাৰ-কাঠী আৱিষ্কাৰ কৰি এক নতুন দিগন্তলৈ জাতিটোৰ দৃষ্টিগোচৰ কৰিলে। তেখেতৰ অনুগামীৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাকে আদি কৰি আজিৰ তাৰিখলৈকে অলেখ জাতিপ্ৰেমী অসমীয়া সাহিত্যিক, চিন্তাবিদে পৰ্যায়ক্ৰমে অসমীয়াৰ উত্তৰণ অব্যাহত ৰাখিছে। গুৰু দুজনাই সৃষ্টি কৰি যোৱা সত্ৰীয়া নৃত্য, বৰগীত, ভাওনাৰ উদ্ধাৰৰ সমান্তৰালভাৱে অসমৰ লোক-সংস্কৃতিৰ প্ৰাণৱন্ত, বৈচিত্ৰ্যপূৰ্ণ নিদৰ্শন বিহুৱেও সগৌৰৱেৰে জাতীয় পৰিচয় বহন কৰি আহিছে। অসমীয়া জাতিটো যে পৰিমৰা বিধৰ নহয় সেইটো বহু দিশৰ বিচাৰেৰে প্ৰমাণিত হ’বলৈ ধৰিলে। কৃষ্ণকান্ত সন্দিকৈ, পৰিসংখ্যাবিদ জ্যোতি মেধি হেন বিশ্ববিশ্ৰুত পণ্ডিত যে অসমীয়া সেই কথা আমি পাহৰিবই নোৱাৰোঁ। মহাকাশত বিচৰণ কৰা ‘চন্দ্ৰযান’ৰ দৰে প্ৰকল্পত নেতৃত্ব দিয়া জিতেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া বুলি হীনমন্যতাত মনোকষ্ট পোৱা বহুতো অসমীয়াক সকাহ দিব পাৰিছে। ভাৰতীয় প্ৰশাসনিক সেৱাতো ক্ৰমে অসমীয়াৰ সংখ্যা বাঢ়ি আহিছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰে নাটক প্ৰদৰ্শন ব্যৱস্থাই কলাপ্ৰেমী ভাৰতবাসীক মন্ত্ৰমুগ্ধ কৰি আহিছে। জাহ্নু বৰুৱা হেন কথাছবি নিৰ্মাতা, নিৰ্দেশকে একাধিকবাৰ শ্ৰেষ্ঠতম সন্মান লাভ কৰি অসমীয়াৰ অতি উচ্চ নন্দনতাত্ত্বিকতাৰ নিদৰ্শন দাঙি ধৰিছে। অতি বলিষ্ঠ পদক্ষেৰে সেনা বাহিনীত অসমীয়া বিষয়াই দোপত দোপে উৰ্ধ্বগামী যাত্ৰা কৰা আমাৰ চকুত পৰিছে। এনেদৰে বিক্ষিপ্তভাৱে সকলো ক্ষেত্ৰতে দৃষ্টি নিক্ষেপ কৰিলে ‘আমি অসমীয়া নহওঁ দুখীয়া’—ৰসৰাজৰ সকীয়নিৰ সাৰ্থকতা অনুভৱ কৰোঁ।

ক্ৰীড়াৰ ক্ষেত্ৰতো অসমীয়া ডেকা, গাভৰুৰ বিশেষ সম্ভাৱনা থকাৰ কথা বহু সময়তে উমান পোৱা গৈছিল। ২০০৭ চনত ব্যাপক আয়োজনৰে গুৱাহাটীত ৩৩তম সৰ্বভাৰতীয় ক্ৰীড়া মহোৎসৱৰ সফল আয়োজন কৰা হয়। সমগ্ৰ ৰাজ্যতে আলোড়ন সৃষ্টিকাৰী এই মহোৎসৱে ক্ৰীড়াৰ বিভিন্ন বিভাগৰ প্ৰতি ধাউতি বঢ়ালে। গতানুগতিক সীমিত কেইবিধমান খেলৰ অনুশীলনৰ বাদেও ক্ৰমে পূৰ্বতে বিশেষ গুৰুত্ব নিদিয়া অথচ বিশ্বব্যাপ্ত জনপ্ৰিয়তা থকা বৈশিষ্ট্যপূৰ্ণ খেলৰ চৰ্চাই গা কৰি উঠিল। তাৰ ফলস্বৰূপে হিমা দাস নামৰ এগৰাকী গ্ৰামাঞ্চলৰ তৰুণীয়ে দুশ মিটাৰ দৌৰত দেশৰে নহয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সাফল্য লভি এক নতুন দিশ মুকলি কৰি বহুতকে অনুপ্ৰাণিত কৰিছিল যদিও আগন্তুক অলিম্পিকলৈ বুলি অনুশীলনৰ প্ৰস্তুতি চলাই থাকোঁতেই আঘাতপ্ৰাপ্ত হৈ প্ৰয়োজনীয় অৰ্হতাৰ পৰা বঞ্চিত হ’বলগীয়া হ’ল। এনে এটা দুখজনক পৰিস্থিতিত ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে প্ৰতিষ্ঠা কৰা লাভলীনা বৰগোহাঁয়ে বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰি অসমকে নহয়, সমগ্ৰ ভাৰতবৰ্ষকে গৌৰৱান্বিত কৰিলে। লাভলীনাৰ এই ঐতিহাসিক সাফল্যই প্ৰতিজন অসমীয়ালৈ অপাৰ আনন্দ আৰু সন্তুষ্টিৰ লগতে আত্মবিশ্বাস বঢ়ালে। দেশৰ ভিতৰতে নহয়, সমগ্ৰ বিশ্ববাসীৰ আগত অসমীয়া জাতিটোৰ সন্মান বঢ়োৱাৰ হাবিলাষ প্ৰতিজন সচেতন অসমীয়াৰ হৃদয়ত থাকে। ইতিপূৰ্বে ৰীমা দাসৰ Village Rockstars নামৰ কথাছবিখনে অস্কাৰ পুৰস্কাৰৰ প্ৰায় চূড়ান্ত পৰ্যায়লৈকে আগবাঢ়োঁতে ‘বিশ্ব দৰবাৰত’ অসমীয়াই প্ৰৱেশ কৰাৰ সপোন দেখিছিল। এইখিনিতে এজন অসমীয়াৰ বিশ্বৰ সৰ্বাধিক প্ৰখ্যাত পুৰস্কাৰ এটাৰ সম্ভাৱনাৰ বিষয়ে একাংশ মননশীল, উচ্চাকাংক্ষী আৰু নিৰপেক্ষ অসমীয়াই এটা তুলনামূলক সপোন দেখিছিল যিটো বাস্তৱিক হোৱাৰ সম্ভাৱনা আছিল। ২০১৬ চনত সাহিত্যৰ ক্ষেত্ৰত পুৰস্কাৰ পাইছিল Bob Dylan নামৰ এজন গীতিকাৰ, গায়ক, সুৰকাৰে। এজন সংগীতকাৰক সাহিত্যৰ বাবে পুৰস্কাৰ দিওঁতে বহুতেই আচৰিত হৈছিল। সচৰাচৰ কবিতা, উপন্যাস আদিৰ ভিত্তিতহে সাহিত্যিকৰ অন্বেষণ কৰা হয় যদিও for redefining boundaries of literature—এই যুক্তিৰে Bob Dylanক গীতিকাৰ ৰূপেহে বাছনি কৰা হৈছিল। আমাৰ ভূপেন হাজৰিকাও এগৰাকী গীতিকাৰ ৰূপে বব ডিলেনতকৈ কোনো গুণে কম নহয় বুলি আমি পতিয়ন গৈছিলোঁ। তেখেত যে যোগ্য ব্যক্তি আছিল সেইটোৱেও আমাক গৌৰৱান্বিত কৰে।

আধুনিক কালত আমাৰ চৌদিশে চলি থকা সকলো কথা-কাণ্ড, ঘটনা-দুৰ্ঘটনা, চিন্তা-চৰ্চাৰ বিষয়ে আমি প্ৰায় দিনটোৰ ভিতৰতে প্ৰচাৰ মাধ্যমৰ যোগেদি পাওঁ। সম্প্ৰতি আমি দৈনিক বাতৰিৰ যোগেদি যোৱা কেইবছৰমানৰ পৰা এনে কিছু বীভৎস বাতৰি পঢ়িবলৈ পাইছোঁ যিবিলাকৰ মাজেদি অসমীয়া জাতিটোৰ ভালেমান কলংকহে প্ৰতিফলিত হোৱা দেখা পাওঁ। অতীতৰ বুৰঞ্জীবিদসকলে তেওঁলোকৰ সমসাময়িক ঘটনাসমূহ ভৱিষ্যতৰ পীঢ়িৰ বাবে বুৰঞ্জীৰূপে ৰচনা কৰিবলৈ তথ্য সংগ্ৰহত যিমান কষ্টকৰ অনুসন্ধান কৰিবলগীয়া হৈছিল তাৰ তুলনাত আজিৰ বুৰঞ্জীবিদসকলে বৰ্তমান কালটো লিপিবদ্ধ কৰিবলৈ অনায়াসে বাতৰিকাকত, আলোচনীৰ মাজত বিস্তৃত তথ্য পাব। সাম্প্ৰতিক কালত অসমীয়া বাতৰিকাকত নিয়মীয়াকৈ পঢ়ি এটা অনুভৱ নিশ্চয় বহুতৰে মনত জাগিছে যে অতীজৰে পৰা অসমীয়াৰ যি এটা নিকা চৰিত্ৰই গঢ় লৈছিল তাত নিহিত আছিল সততা, সৰলতা, নিষ্ঠা, ধৰ্মপৰায়ণতা, নিস্বাৰ্থপৰতা, প্ৰেম, আদৰ, চেনেহ, নিয়মানুবৰ্তিতা ইত্যাদি সৎ গুণসমূহ। তাৰ ঠাইত আজিৰ দিনত অশ্ৰদ্ধা, হিংসা, লোভ, মোহ, অসূয়া-অপ্ৰীতি, স্বাৰ্থপৰতা, লুণ্ঠন, চোৰাং ব্যৱসায়, শিশুকো বলাৎকাৰ, মাদক দ্ৰব্য সেৱন কৰি জ্ঞানহীন হৈ লজ্জাকৰ ব্যৱহাৰ ইত্যাদি, ইত্যাদি সভ্য সমাজত কল্পনা কৰিব নোৱৰা অপকৰ্মৰ বাতৰি দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। আমাৰ শংকা হৈছে ভৱিষ্যতৰ বুৰঞ্জীত সাম্প্ৰতিক কালৰ জাতীয় গৌৰৱক কলংকই ম্লান কৰি পেলাব নেকি?